# পাঠ - ৬

দৈৰ্ঘ্য


I7H7C5


## জুখি চাওঁ আহা

পূৰবী আৰু পুলিনৰ দেউতাকে পৰ্দাত লগাবলৈ দুই হাত দীঘল ৰছী এডাল ল'লে। পূৰবীয়ে ৰছীডাল নিজৰ হাতেৰে জুখি চালে। তাই পালে ৰছীডাল **চাৰি হাত** দীঘল। পুলিনে ৰছীডাল জুখি পালে **পাঁচ হাত** দীঘল। সিহঁতে দেউতাকক কথাটো ক'লে। দেউতাকে তেতিয়া ক'লে যে এই জোখবোৰ মানুহ অনুযায়ী বেলেগ বেলেগ হয়। ৰছীডালৰ সঠিক জোখ পাবলৈ স্কেল বা ফিটাৰে জুখিব লাগিব। দেউতাকে **স্কেল** এডাল আনি ৰছীডাল জুখিলে।




## ৰছীডাল কেনেকৈ জুখিলে চাওঁ আহা







- ৰছী ডালৰ এটা মূৰ স্কেল ডালৰ '০' ৰ লগত মিলাই লোৱা।
- ৰছী ডালৰ আনটো মূৰ স্কেল ডালৰ ক'ত লাগিছে ভালদৰে চোৱা। ৰছী ডাল স্কেলৰ ১৫ চেণ্টিমিটাৰত লাগিছে। তাত এটা দাগ দিয়া। জোখটো লিখি ৰাখা।
- দাগ দিয়া মূৰটো স্কেল ডালৰ '০' লগত আকৌ মিলাই লোৱা। আগৰ দৰে আকৌ জোখ লোৱা।
- এনেদৰে জুখি গ'লে ৰছী ডালৰ মুঠ দীঘ পাবা।



- জোখমাখ লোৱা ফিটাৰ সহায়তো তুমি এনেধৰণে জুখিব পাৰিবা।

পেঞ্চিল এডাল জুখি চোৱা আৰু কিমান চেণ্টিমিটাৰ পালা, তলৰ খালী ঠাইত লিখা।






.......................... চেণ্টিমিটাৰ

**স্কেলৰ সহায়ত তলত দিয়া বস্তুবোৰৰ দীঘ জুখি চাই লিখোঁ আহা**

মোৰ কলমটোৰ দীঘ.....................চেণ্টিমিটাৰ





মোৰ ৰবৰডালৰ দীঘ.....................চেণ্টিমিটাৰ

মোৰ কিলিপটোৰ দীঘ.....................চেণ্টিমিটাৰ






মোৰ ফণিখনৰ দীঘ.....................চেণ্টিমিটাৰ


মোৰ চকডালৰ দীঘ.....................চেণ্টিমিটাৰ






*শিক্ষকলৈ নিৰ্দেশনা ঃ শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন বস্তুৰ জোখ ল'বলৈ দিব।*


ছবি চাই বিভিন্ন ৰঙৰ ফিটাবোৰ কিমান দীঘল কাষৰ খালী ঘৰত লিখোঁ আহা




.....................চেণ্টিমিটাৰ



.....................চেণ্টিমিটাৰ



.....................চেণ্টিমিটাৰ



.....................চেণ্টিমিটাৰ


পাতবোৰৰ দীঘ জোখোঁ আহা




.....................চেণ্টিমিটাৰ



.....................চেণ্টিমিটাৰ



.....................চেণ্টিমিটাৰ




.....................চেণ্টিমিটাৰ

জোখ লওঁ আহা

(ছাত্র-ছাত্রীয়ে ইজনে সিজনৰ কাণৰ পৰা নাকলৈ, কাণখন, কিলাকুটিৰ পৰা মধ্যমা আঙুলিলৈ, কান্ধ দুখনৰ মাজত, কিলাকুটিৰ পৰা হাতৰ সৰু গাঁঠিলৈ কিমান চেণ্টিমিটাৰ দীঘল স্কেলেৰে জুখিব আৰু তলৰ তালিকাখনত ভৰাব।)




| ক'ৰ পৰা ক'লৈ | মোৰ জোখ |
|---|---|
| কাণৰ পৰা নাকলৈ দীঘ | ....................চেণ্টিমিটাৰ |
| কাণখনৰ দীঘ | ....................চেণ্টিমিটাৰ |
| মধ্যমা আঙুলিৰ পৰা কিলাকুটিলৈ দীঘ | ....................চেণ্টিমিটাৰ |
| দুখন কান্ধৰ মাজৰ দীঘ | ....................চেণ্টিমিটাৰ |
| হাতৰ সৰু গাঁঠিৰ পৰা কিলাকুটিলৈ দীঘ | ....................চেণ্টিমিটাৰ |

কি জুখিছে আৰু কিদৰে জুখিছে চাওঁ আহা






জোখ মতে কাগজ কাঁটো আহা

১৫ চেণ্টিমিটাৰ বহল আৰু ১৫ চেণ্টিমিটাৰ দীঘল জোখৰ এখন চিলাৰ বাবে তলৰ স্কেলৰ সহায়ত কাগজখিলাত দাগ দিয়া।









জোখ মতে কাপোৰ কাঁটো আহা

১২ চেণ্টিমিটাৰ বহল আৰু ১২ চেণ্টিমিটাৰ দীঘল জোখৰ এখন ৰুমালৰ বাবে তলৰ স্কেলৰ সহায়ত কাপোৰখনত দাগ দিয়া।





জানি লওঁ আহা ঃ কোনো বস্তুৰ দুই মূৰৰ মাজৰ জোখেই হৈছে দৈৰ্ঘ্য



ওপৰৰ ছবিখনত কোন কিমান দূৰত আছে স্কেলেৰে জুখি লিখোঁ আহা (বিন্দুৰ ৰং অনুযায়ী)

- ঘৰৰ দুৱাৰৰ পৰা গছজোপা ● — ☐ চেণ্টিমিটাৰ
- কুকুৰাটোৰ মূৰৰ পৰা পাচিটো ● — ☐ চেণ্টিমিটাৰ
- হাঁহটোৰ পৰা কুকুৰাটোৰ ঠেঙলৈ ● — ☐ চেণ্টিমিটাৰ
- চৰাইটোৰ পৰা ছাগলীটোৰ নেজলৈ ● — ☐ চেণ্টিমিটাৰ

**বৰশীৰে মাছ ধৰোঁ আহা**

মোহনে বৰশীৰ বাবে ৰছী এডাল যোগাৰ কৰিলে। ৰছীডাল অলপ চুটি হ'ল। তেতিয়া মাকে ক'লে যে ৰছীডাল কমেও ১ মিটাৰ দীঘল হ'ব লাগিব।



**জানি লওঁ আহা ঃ ১০০ চেণ্টিমিটাৰ = ১ মিটাৰ**

**১ মিটাৰৰ ৰছী এডাল তৈয়াৰ কৰোঁ আহা**

এডাল ৰছীৰ এটা মূৰত গাঁঠি দিয়া। গাঁঠিটোৰ পৰা ১০০ চেণ্টিমিটাৰ জোখত ৰছী ডালত এটা দাগ দিয়া আৰু তাত এটা গাঁঠি দিয়া। দুয়োটা গাঁঠিৰ মাজৰ দৈৰ্ঘ্য হৈছে এক মিটাৰ (কাৰণ ১০০ চেণ্টিমিটাৰ = ১ মিটাৰ)। এতিয়া তুমি এক মিটাৰ জোখৰ এডাল ৰছী পালা।

**জানি লওঁ আহা ঃ চেণ্টিমিটাৰক চমুকৈ 'চে মি ' আৰু মিটাৰক চমুকৈ 'মি' বুলিও লিখা হয়।**




**এতিয়া জুখি চোৱা**

- তোমাৰ ফ্ৰকৰ বাবে কিনি অনা কাপোৰ টুকুৰাৰ জোখ কিমান দীঘল?
- শ্ৰেণীকোঠাৰ টেবুলখনৰ দীঘ কিমান?
- তোমাৰ বিদ্যালয়ৰ বাৰাণ্ডাখন কিমান বহল?

**তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ মিটাৰ নে চেণ্টিমিটাৰত লিখিবা?**


- তুমি কিমান ওখ? ____________________
- তোমাৰ বিছনাখন কিমান দীঘল? ____________________
- তোমাৰ অনামিকা আঙুলিটো কিমান দীঘল? ____________________
- তোমাৰ জোতাযোৰ কিমান দীঘল? ____________________



**অনুমান কৰা আৰু শুদ্ধ উত্তৰটোত (✓) চিন দিয়া।**

- পেঞ্চিল এডালৰ দীঘ ১ মিটাৰতকৈ কম/ বেছি
- বহা বেঞ্চ এখনৰ দীঘ ১ মিটাৰতকৈ কম/ বেছি
- চেফ্‌টি পিন এটাৰ দীঘ ১ মিটাৰতকৈ কম/ বেছি
- ব্লেক ব'ৰ্ড এখনৰ দীঘ ১ মিটাৰতকৈ কম/ বেছি

## মিলোৱা

| | | |
|---|---|---|
|  | তোমাৰ তৰ্জনী আঙুলিৰ দীঘ | ৩ মিটাৰ |
|  | তোমাৰ বিচনা চাদৰখনৰ দীঘ | ৩ চেণ্টিমিটাৰ |
|  | তোমাৰ স্কাৰ্টৰ দীঘ | ২ মিটাৰ |
|  | আম গছৰ পাতৰ দীঘ | ১ মিটাৰ |
|  | তোমাৰ মাৰাৰ চাদৰখনৰ দীঘ | ৮ চেণ্টিমিটাৰ |

## খেলোঁ আহাঁ



*দীঘল জাঁপ মাৰা আৰু কিমান মিটাৰ দীঘল জাঁপ মাৰিলা জোখবোৰ লিখা।*

*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীক দীঘল জাঁপৰ জোখ অনুযায়ী প্ৰথম, দ্বিতীয়, তৃতীয় স্থানসমূহ ঘোষণা কৰিব।*

## চেণ্টিমিটাৰত লিখোঁ আহা

(ক) ২ মিটাৰ = ২০০ চেণ্টিমিটাৰ।

(খ) ৩ মিটাৰ = ______ চেণ্টিমিটাৰ।

(গ) ৪ মিটাৰ ৫০ চেণ্টিমিটাৰ = ৪৫০ চেণ্টিমিটাৰ।

(ঘ) ৬ মিটাৰ = ______ চেণ্টিমিটাৰ।

(ঙ) ৬ মিটাৰ ৭০ চেণ্টিমিটাৰ = ______ চেণ্টিমিটাৰ।